13/4/14 April.
আমাৰ অসম

...পক চাঞ্চল্যকৰ স্যাপ্ত কৰা ... কিন্তু বিগত প্ৰায় ২৫ ...মত সক্ৰিয় এটা বিশেষ ...য় জে এম বিব সৈতে ...ৰি থকা বুলিয়েই দেশৰ ...সন্ত্ৰাসমূহৰ ভিৰতচ'ৰাত ... চলি আহিছে। উল্লেখ্য, ...ংচোৰা গোষ্ঠী আই এছ ...ত জন্মলভা 'মুছলিম ...ৰেশ্বন টাইগাৰ্ছ অৱ আছাম' ...ম ইউ এল টি এ) নামৰ এই ...াৰ লক্ষ্য আৰু উদ্দেশ্যে জে

বৰ্তমানৰ ... চনৰ পৰা পাকিস্তানৰ কৰাচীত থকাৰ নিৰ্দিষ্ট তথ্য আছে ভাৰতীয় চোৰাংচোৰা সন্থাসমূহৰ হাতত। বিশেষ এক চোৰাংচোৰা গোষ্ঠীৰ ভিতৰুৱা বিশ্বস্ত সূত্ৰই সদৰী কৰা অনুসৰি ধুবুৰীসহ নগাঁও, মৰিগাঁও আৰু দৰং জিলাত 'মাল্টা'ই এই সংগোপনে সাংগঠনিক ভেটি গঢ়ি তোলাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। উল্লেখ্য, ২০০০ চনৰ ২০ এপ্ৰিলৰ দিনা সেনাৰ 'ৰেড হৰ্ন ডিভিজন'ৰ এন ডি এফ বিৰ এটা গোটৰ সৈতে হোৱা সংঘৰ্ষৰ পিছত পোহৰলৈ আহিছিল এক বিস্ফোৰক তথ্য। ... আইছিছৰ (আই এছ আই এছ) সৈতে সম্পৰ্ক থকা বাংলাদেশৰ আন এটা মৌলবাদী সংগঠন 'বাংলাদেশ ইছলামিক মঞ্চ' নামৰ সংগঠনটোৰ সৈতেও 'মাল্টা'ৰ সম্পৰ্ক থকাৰ সন্দেহো আছে ভাৰতীয় চোৰাংচোৰা সন্থাসমূহৰ মাজত। অতি সংগোপনে সাংগঠনিক কাম-কাজ অব্যাহত ৰখা 'মাল্টা'ৰ সহায়তেই আগন্তুক সময়ত জে এম বিয়ে অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত এক ভয়াৱহ ভৱিষ্যৎ কঢ়িয়াই অনাৰ আশংকা নুই কৰিব নোৱাৰি।



অসম চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগৰ অধীনৰ দক্ষতা বিকাশ প্ৰশিক্ষণ আঁচনি উদ্বোধনী অনুষ্ঠানত বিভাগীয় মন্ত্ৰী পল্লৱলোচন দাস, মঙলবাৰে, আলোকচিত্ৰ ঃ মহেশ চৌধুৰী

এপ্ৰিল ঃ অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুলৈ মাজত মাত্ৰ দুটা দিন বাকী। সমাগত ৰঙালী বিহু উপলক্ষে অসমবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে আলফাই (স্বাধীন)। এটা বিবৃতিযোগে আলফাৰ (স্বাধীন) সভাপতি ডাঃ অভিজিৎ অসমে অসমবাসীক বিহুৰ শুভেচ্ছা আৰু ওলগ জনাই বন ধ্বংস আৰু প্ৰদূষণক লৈ উদ্বেগ প্ৰকাশ কৰি কয়— 'প্ৰকৃতিৰ হাতৰ পৰা মানুহে কাঢ়ি নিছে ব'হাগৰ আয়ুস। হেৰাই যোৱা সেউজ আচ্ছাদনে সকীয়াই দিছে এই কথা। যুৱ সমাজৰ অনেকেই পশ্চিমীয়া সংস্কৃতিৰ ওচৰত নত হৈছে। বিহুৰ স্বকীয়তা ৰক্ষাৰ বিপৰীতে অপ-সংস্কৃতিৰ সংযোজন ঘটাইছে। অপ-সংস্কৃতি নিৰ্মূল কৰি বিহু পালন কৰাসকলৰ লগত আমি আছোঁ।'

# কলগাছিয়াৰ নৱজ্যোতি মহাবিদ্যালয়ত কেৰিয়াৰ বিষয়ক আলোচনা-চক্ৰ

**কলগাছিয়াৰ প্ৰতিবেদক, ১১ এপ্ৰিল ঃ** বৰপেটা জিলাৰ কলগাছিয়াস্থিত নৱজ্যোতি মহাবিদ্যালয়ৰ সভাকক্ষত মঙলবাৰে পুৱা ১১ বজাত কলেজখনৰ প্ৰয়াস গোটৰ উদ্যোগত আৰু হেল্পলাইন ফাউণ্ডেশ্বনৰ সহযোগত যুৱপ্ৰজন্মৰ কেৰিয়াৰ আৰু উদ্যমিতা উন্নয়নৰ ওপৰত এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। নৱজ্যোতি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ছাহজাহান আলী আহমেদৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা-চক্ৰৰ উদ্দেশ্য ব্যাখ্যা কৰে প্ৰয়াসৰ সমন্বয়ক মেৰিনা আহমেদ আৰু সম্বৰ্ধনা অনুষ্ঠান পৰিচালনা কৰে অধ্যাপিকা পাঞ্চালী বৈশ্যই। অনুষ্ঠানত মুখ্য আলোচক হিচাপে উপস্থিত থাকি নৰ্থ-ইষ্ট যুথ ফাউণ্ডেশ্বনৰ সঞ্চালক ৰঞ্জন কুমাৰ বৰুৱাই যুৱপ্ৰজন্মৰ কেৰিয়াৰ আৰু উদ্যমিতা সম্পৰ্কে গুৰুত্বপূৰ্ণ ভাষণ আগবঢ়াই যুৱক-যুৱতীসকলে ভৱিষ্যৎ কেৰিয়াৰ সম্পৰ্কে লক্ষ্য নিৰ্ধাৰণ কৰিব লাগে বুলি আহ্বান জনায়। আলোচনা-চক্ৰত কমিউনিকেশ্বন স্কীল ডেভেলপমেণ্টৰ অন্যতম সমল ব্যক্তি শ্বামিন আখতাৰ, হেল্পলাইন ফাউণ্ডেশ্বনৰ সভাপতি শ্বাফিউল হাছান, অধ্যাপক বি কে শ্যামল, ড° শ্বাহজামাল শ্বেখসহ প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## বাগসাৰ শালবাৰী মহকুমাৰ গাতিত অবড়োৰ জনজাগৰণ সভাত সাংসদ নৱ কুমাৰ শৰণীয়া

# হাগ্ৰামা বাহিনী ক্ষমতাৰ ৰাগিত মতলীয়া হৈ গঙাটোপ হৈ আছে

**ৰাজীৱ তালুকদাৰ, ভৱানীপুৰ ঃ** 'বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীৰ ইমানেই দম্ভালি, অহংকাৰ বৃদ্ধি পাইছে যে 'কেগ'ৰ প্ৰতিবেদনত প্ৰকাশ পোৱা পৰ্বতসম দুৰ্নীতিৰ তদন্ত কৰাৰ বাবে অৰ্থাৎ নিজে কৰা দুৰ্নীতিৰ তদন্তৰ বাবে চি বি আইক আহ্বান জনাই অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাইজকো তাচ্ছিল্য কৰিছে। বিটিচিত হাগ্ৰামা মহিলাৰী আৰু তেওঁৰ বাহিনীয়ে চলোৱা দুৰ্নীতি, হিংসা নীতি, মানুহৰ অধিকাৰ খৰ্ব কৰা নীতি আদিৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু অসম চৰকাৰে কোনোধৰণৰ দায়িত্ব বা ভূমিকা হাতত লোৱাৰ পৰিৱৰ্তে চৰকাৰৰ মৌনতাৰ বাবেই হাগ্ৰামাই এনেধৰণৰ অহংকাৰী, ... বিধানসভা, এম চি এল এ নিৰ্বাচনৰ কথা বাদেই ভিচিডিচি নিৰ্বাচনত এটা সদস্য পদতো জয়ী হ'ব নোৱাৰে। যাৰ বাবে তেওঁ ভিচিডিচি নিৰ্বাচন অনুষ্ঠিত কৰাৰ পৰা বিৰত আছে। ৰঙালী বিহুৰ পিছতেই হাগ্ৰামাৰ বে-আইনী কাৰ্যকলাপ তথা দুৰ্নীতি, মানুহৰ অধিকাৰ কাঢ়িব বিচৰাৰ বিৰুদ্ধে, ৰাইজৰ জীয়াই থকাৰ অধিকাৰ নিশ্চিত কৰাৰ বাবে অবড়োৰ গণতান্ত্ৰিকভাৱে অসহযোগ আন্দোলন তথা সংগ্ৰাম তীব্ৰতৰ হ'ব। মানুহৰ অধিকাৰ কাঢ়িব বিচাৰি ক্ষমা খোজা হাগ্ৰামা মহিলাৰীক ৰাইজৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰাম। জীয়াই থকাৰ অধিকাৰৰ দাবীত সৰ্বস্তৰৰ ৰাইজক পূৰ্ণ সহযোগিতা কৰাৰ বাবে ...

# জাগীৰোডৰ ঘগুৱা পঞ্চায়তত নিজাববীয়াকৈ হাঁহ পোৱালি বিতৰণ কৰিলে বিধায়ক পীযূষ হাজৰিকাই

**জাগীভকতগাঁৱৰ প্ৰতিবেদক, ১১ এপ্ৰিল ঃ** সমগ্ৰ দেশতে মহিলা সবলীকৰণৰ ক্ষেত্ৰত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন আঁচনি ৰূপায়ণ কৰি অহাৰ সময়তে জাগীৰোড বিধানসভা সমষ্টিৰ বিধায়ক পীযূষ হাজৰিকাই লৈছে এক উল্লেখযোগ্য পদক্ষেপ। বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলাসকলক সবলীকৰণ আৰু আৰ্থিকভাৱে টনকিয়াল কৰি তোলাৰ উদ্দেশ্যে শিশুৰাম হাজৰিকা আৰু দীপক হাজৰিকা ন্যাসৰ উদ্যোগত বিধায়ক পীযূষ হাজৰিকাই নিজাববীয়াকৈ ... আত্মসহায়ক গোটসমূহক সামৰি লোৱা হ'ব বুলিও জানিবলৈ দিয়ে বিধায়ক পীযূষ হাজৰিকাই। ইফালে, এই হাঁহৰ পোৱালি বিতৰণৰ ঠিক ছমাহৰ পিছতে জাগীৰোড সমষ্টিত এক বৃহৎ অৰ্থনৈতিক পৰিৱৰ্তন হোৱাৰ লগতে গ্ৰামাঞ্চলৰ মহিলাসকল আৰ্থিকভাৱে টনকিয়াল হ'ব বুলি আশা প্ৰকাশ কৰে বিধায়কগৰাকীয়ে। অনুষ্ঠানত পশুপালন বিভাগৰ বিষয়া শৈলেন কলিতা উপস্থিত থাকি হাঁহৰ পোৱালি প্ৰতিপালনৰ বিষয়ে মহিলাসকলক উদ্দেশ্যি বহুমূলীয়া ভাষণ ... মণ্ডল বিজেপিৰ সভাপতি ভৱেশ সৰকাৰ, ...